# অসম বিধান সভাৰ অধিবেশন-২০২৬
# লিখিত প্ৰশ্ন নং: ২০১
# উত্তৰ দিয়াৰ তাৰিখ: ১০/০৭/২০২৬ ইং

বিষয়ঃ ভূমিপট্টা প্ৰদান আৰু প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত সন্দৰ্ভত । শ্ৰীমেহবুব মোক্তাৰ:

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধিং সমষ্টিত ২০২১ চনৰ পৰা বৰ্তমানলৈ কিমানটা ভূমিপট্টা প্ৰদান কৰা হৈছে আৰু কিমান আবেদন এতিয়াও নিষ্পত্তিৰ অপেক্ষাত আছে?

(খ) ধিং সমষ্টিৰ চৰ-চাপৰি আৰু খাচ মাটিত বাস কৰা ভূমিহীন পৰিয়ালসমূহক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) সমষ্টিটোৰ খহনীয়াৰ ফলত ভূমি হেৰুৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) বিগত পাঁচ বছৰত ধিং সমষ্টিত বানপানী, নদীৰ খহনীয়া আৰু অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালক কিমান সাহাৰ্য্য আৰু ক্ষতিপূৰণ প্ৰদান কৰা হৈছে?

(ঙ) ধিং সমষ্টিত ডিজিটেল ভূমি অভিলেখ প্ৰস্তুতকৰণ আৰু আপডেটৰ অগ্ৰগতি কি?

## <u>উত্তৰ</u>

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিছে-

নগাওঁ জিলাৰ জিলা আয়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি -

(ক) ধিং সমষ্টিৰ অন্তৰ্গত ধিং ৰাজহ চক্ৰৰ অধীনত ২০২১ চনৰ পৰা বৰ্তমানলৈ ৩৬ টা ভূমি পট্টা প্ৰদান কৰা হৈছে । আবেদন নিষ্পত্তিৰ বাবে অপেক্ষাত আছে ৮ খন ।

(খ) স্থায়ী চৰ অঞ্চল সমূহৰ ভিতৰত যিসমূহ ভূমি পট্টাভূক্ত নহয়, সেই সমূহ ভূমি চৰকাৰী ভূমি হিচাপে গণ্য কৰা হয় আৰু অসম ভূমি নীতি, ২০১৯ ৰ ১.১১ অনুচ্ছেদ অনুসৰি এই ভূমি সমূহত খিলঞ্জীয়া ভূমিহীন লোকসকলক পট্টা প্ৰদান কৰাৰ ব্যৱস্থা আছে।

আনহাতে, খাচ চৰকাৰী ভূমিত বসবাস কৰা ভূমিহীন খিলঞ্জীয়া লোক সকলক অসম ভূমি নীতি, ২০১৯ অনুসৰি পৰ্যায়ক্ৰমে ভূমিপট্টা প্ৰদান কৰি থকা হৈছে। জনসাধাৰণৰ সুবিধাৰ বাবে Sewa Setu Portal ত খাচ চৰকাৰী ভূমি সমূহৰ পট্টনৰ বাবে আবেদনৰ ব্যৱস্থা কৰা হৈছে।

(গ) খহনীয়াগ্ৰস্ত লোকসকলৰ পুনৰ্সংস্থাপনৰ সন্দৰ্ভত, ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ঘৰ-দুৱাৰৰ ক্ষয়-ক্ষতিৰ বাবদ SDRF-ৰ নিয়ম অনুসৰি পুনৰ্সংস্থাপন অনুদান (RG) প্ৰদান কৰিব পৰা যায় কিন্তু তাৰ বাবে তেওঁলোক ভূমি নীতি ২০১৯-ৰ ব্যৱস্থাৱলীৰ অধীনত আবণ্টন/বন্দোৱস্তীৰ যোগ্য হ'ব লাগিব।

(ঘ) ধিং সমষ্টিৰ অন্তৰ্গত ধিং ৰাজহ চক্ৰৰ অধীনত বিগত পাঁচবছৰত প্ৰাকৃতিক দুৰ্যোগত বানপানীৰ সাহায্য হিচাপে সৰ্বমুঠ চাউল ১২৭৭ কে.জি., দালি-২৩৬ কে.জি, নিমখ ৭০ কে.জি, প্ৰদান কৰা হৈছিল লগতে বিগত পাঁচবছৰত ধিং ৰাজহ চক্ৰৰ অধীনত পূনৰ্বাসন অনুদান (অগ্নি) মুঠ ১২,০০,০০০ টকা আৰু পূনৰ্বাসন অনুদান (ধুমুহা) ত মুঠ ৮,৯১,১৪০০০ টকা অনুদান দিয়া হৈছে।

ধুমুহাৰ সাহায্য হিচাপে সৰ্বমুঠ ১০২১ খন তিৰপাল প্ৰদান কৰা হৈছিল।

(ঙ) ধিং সমষ্টিৰ অন্তৰ্গত ধিং ৰাজহ চক্ৰ এলেকাৰ ডিজিটেল ভূমি অভিলেখ প্ৰস্তুতকৰণ আৰু আপডেটৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে আৰু দাগ বিভাজন কৰা কাম পৰ্যায়ক্ৰমে চলি আছে।

****************************